## যেতিয়া এজন বয়সস্থ ৰোগী মৃগীৰোগত আক্ৰান্ত হয় তেতিয়া আপুনি এই কামবোৰ কৰাটো এৰাই চলিব লাগে [7]

চিজাৰ সম্পূৰ্ণৰূপে শেষ নোহোৱালৈকে আৰু ব্যক্তিজন পুনৰ সম্পূৰ্ণৰূপে সজাগ নোহোৱালৈকে তেওঁৰ মুখত কোনো বস্তু জোৰকৈ ৰাখিব নালাগে ইয়াৰ ভিতৰত ঔষধ বা তৰল পদাৰ্থও অন্তৰ্ভুক্ত

পেশীৰ গতিবিধি নিয়ন্ত্ৰণ নকৰিব কাৰণ ইয়াৰ ফলত পেশীৰ ক্ষতি হ'ব পাৰে। ইয়াৰ উপৰিও বৃদ্ধ ৰোগীৰ হাড় ভংগুৰ হ'ব পাৰে বাবে ইয়াৰ ফলত অস্থিভংগ হ'ব পাৰে।



**মৃগী পীড়িত বেছিভাগ বয়োবৃদ্ধ ৰোগীৰ উপযুক্ত চিকিৎসাৰ দ্বাৰা চিজাৰৰ ওপৰত ভাল নিয়ন্ত্ৰণ পাব পাৰি। [4,8]**

**মৃগী পীড়িত বয়সস্থ ৰোগী 62%পৰ্যন্ত দুবছৰৰ পিছত চিজাৰ–মুক্ত হ'ব পাৰে। [9]**


**References:**

1. Liu S, Yu W, Lü Y. The causes of new-onset epilepsy and seizures in the elderly. Neuropsychiatr Dis Treat. 2016 Jun 17;12:1425-34.
2. Amudhan S, Gururaj G, Satishchandra P. Epilepsy in India I: Epidemiology and public health. Ann Indian Acad Neurol. 2015 Jul-Sep;18(3):263-77.
3. Schachter SC. Seizure triggers [Internet] [Updated 2022]. Available at: https://www.epilepsy.com/what-is-epilepsy/seizure-triggers#What-are-some-commonly-reported-triggers? Accessed on Oct 20, 2022.
4. Epilepsy & seizure in older adults [Internet] [Sep 13, 2021]. Available at: https://www.cdc.gov/epilepsy/communications/features/olderadults.htm. Accessed on Jan 13, 2023.
5. Advice for patients who have epilepsy and/or seizures. Available at- https://www.stgeorges.nhs.uk/wp-content/uploads/2015/06/AMC_SAE_01.pdf. Accessed on Oct 20, 2022
6. Epilepsy - first aid and safety [Internet] [Updated Mar 11, 2020]. Available at: https://www.betterhealth.vic.gov.au/health/conditionsandtreatments/epilepsy-first-aid-and-safety#epilepsy-and-your-safety. Accessed on Jan 13, 2023.
7. Seizures and seniors [Internet]. Available at: https://epilepsychicago.org/what-is-epilepsy/first-aid/first-aid-for-seniors/. Accessed on Feb 10, 2023.
8. Epilepsy. Available at: https://www.who.int/news-room/fact-sheets/detail/epilepsy. Accessed Oct 20, 2022.
9. Acharya JN, Acharya VJ. Epilepsy in the elderly: Special considerations and challenges. Ann Indian Acad Neurol. 2014 Mar;17 (Suppl 1):S18-26.


MAT-IN-2301335-V1.0-06/2023



sanofi

# বয়োবৃদ্ধ সকলৰ মৃগীৰোগ





বিশ্বজুৰি, প্ৰতি বছৰে বয়সস্থ ৰোগী (≥65 বছৰ) প্ৰতি 100,000 ৰ ভিতৰত 240 জন লৈকে মৃগীৰোগত আক্ৰান্ত হয়।[1]

প্ৰায় 12 প্ৰতি 1,000 বৃদ্ধ জনসংখ্যাৰ ভাৰতত মৃগীৰোগত আক্ৰান্ত।[2]

## বৃদ্ধ বয়সত চিজাৰ অধিক হোৱা দেখা যায় মস্তিষ্কৰ আঘাত বা অন্যান্য কাৰকবোৰৰ কাৰণে যেনে:[1]

- মস্তিষ্কৰ টিউমাৰ
- মূৰৰ আঘাত
- মস্তিষ্কৰ সংক্ৰমণ
- বয়সৰ লগত জড়িত ৰোগ (যেনে, ষ্ট্ৰোক, ডিমেনচিয়া, এলজেইমাৰ ৰোগ, ডিমেনচিয়া, আৰু ক্ৰিউটজফেল্ড–জেকব ৰোগ)

## ইয়াৰ উপৰিও, কিছুমান কাৰকে বৃদ্ধসকলৰ মৃগী ৰোগৰো ট্ৰিগাৰ কৰিব পাৰে, যেনে:[3]

- মদ্যপান/ড্ৰাগছ সেৱন আৰু প্ৰত্যাহাৰ
- অতিৰিক্ত কেফেইন সেৱন
- জলশূণ্য হোৱা আৰু ইলেক্ট্ৰলাইটৰ অসন্তুলন
- টোপনিৰ অভাৱ
- ভিটামিন আৰু পুষ্টি হীনতা
- তেজত গ্ৰুকজৰ মাত্ৰা কম হোৱা
- তাৰণা
- অসুস্থতা (জ্বৰ থকা/জ্বৰ নথকা)
- চমক থকা উজ্জ্বল পোহৰ
- যকৃত আৰু বৃক্কৰ সমস্যা

## বয়োবৃদ্ধ সকলৰ মৃগীৰোগৰ তলত উল্লেখ কৰা লক্ষণসমূহৰ প্ৰতি আপুনি সাৱধান হ'ব পাৰে[4]



- একেথৰে আকাশলৈ চাই থকা
- অস্বাভাৱিক গতিবিধি
- লক্ষ্যহীনভাৱে খোজ কঢ়া
- কথা ক'ব নোৱাৰা/প্ৰশ্নৰ উত্তৰ দিব নোৱাৰা
- খেলিমেলি
- মাটিত পৰি যোৱা আৰু কঁপনি উঠা
- চৌপাশৰ পৰিৱেশৰ প্ৰতি অজ্ঞাত হৈ পৰা

## যদি আপোনাৰ পৰিয়ালৰ কোনো বয়োবৃদ্ধ সদস্য চিজাৰত আক্ৰান্ত হয়, তেন্তে আপুনি তলত দিয়া সাৱধানতা অৱলম্বন কৰিব পাৰে:[5,6]

গা ধুই থকাৰ সময়ত দুৱাৰ বন্ধ কৰিব নিদিব। স্লাইডিং দুৱাৰ আৰু বাহিৰলৈ খোলা দুৱাৰ থকাটো ভাল।

শ্বাৱাৰ চকী ব্যৱহাৰ কৰক আৰু কোনোবাই ঘৰত থাকিলেহে গা ধুই লোৱাটো পছন্দ কৰক

কঁাচৰ পৰা তৈয়াৰী বস্তু পৰিহাৰ কৰক



গা ধোৱাৰ সলনি শ্বাৱাৰ লবলৈ দিয়ক

ঘৰৰ চোকা ধাৰ থকা চুকবোৰ ঢাকি ৰাখিব লাগে (যেনে, বিচনাৰ চুক)

সঘনাই পৰিলে সুৰক্ষামূলক হেলমেট পিন্ধিবলৈ দিয়ক